# জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়, নলবাৰী।

## গোহাৰি

ইয়াৰ দ্বাৰা সকলোৰে জ্ঞাতাৰ্থে জনোৱা হয় যে, ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি অসমৰ অন্যান্য জিলাৰ লগতে নলবাৰী জিলাতো যোৱা ০১-০৮-২০২২ ইং তাৰিখৰ পৰা ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত হৈ থকা সকলো ভোটাৰৰ ভোটাৰ পৰিচয় পত্ৰৰ লগত আধাৰ নম্বৰ সংযোগৰ ব্যৱস্থা কৰা হৈছে। ভোটাৰ সকলে ৬খ প্ৰ-পত্ৰৰে ভোটাৰ তালিকাৰ সত্যাসত্য নিৰূপণৰ বাবে আধাৰ নম্বৰ সংযোগ কৰিব পাৰিব। ভোটাৰ সকলক ৬খ আবেদন সমূহ Voter Helpline App (VHA), www.nvsp.in, বা Voter portal যোগে দাখিল কৰিবলৈ নলবাৰী জিলা নিৰ্বাচনী বিভাগৰ তৰফৰ পৰা অনুৰোধ কৰা হৈছে। ভোটাৰ সকলে BLO ৰ লগত যোগাযোগ কৰিও আধাৰ নম্বৰ সংযোগ কৰিব পাৰিব।

আধাৰ নম্বৰ নথকা ভোটাৰ সকলেও ৬খ প্ৰ-পত্ৰৰে নিৰ্বাচন আয়োগে চিহ্নিত কৰা তলত উল্লেখিত স্ব-প্ৰত্যায়িত যিকোনো এবিধ নথি দাখিল কৰিও ভোটাৰ পৰিচয় পত্ৰৰ সত্যাসত্য নিৰূপণ কৰিব পাৰিব।

১) এম জি এন আৰ ই জি এ জব কাৰ্ড

২) বেংক / ডাক ঘৰৰ ফটোৰ সৈতে পাচবুক

৩) শ্ৰম মন্ত্ৰালয় আঁচনিৰ অধিনত স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড

৪) গাড়ী চালনাৰ অনুজ্ঞাপত্ৰ

৫) পানকাৰ্ড

৬) এন পি আৰ ৰ অধীনত স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড

৭) ভাৰতীয় পাৰ-পত্ৰ

৮) ফটোগ্ৰাফৰ সৈতে পেন্সনৰ নথি

৯) কেন্দ্ৰীয় চৰকাৰ / ৰাজ্য চৰকাৰ / পি এচ ইউ / পাব্লিক লিমিটেড কোম্পানী জৰিয়তে কৰ্মচাৰীসকললৈ দিয়া ফটো সহ কৰ্মচাৰী পৰিচয় পত্ৰ

১০) এম পি / এম এল এ / এম এল চি সকলৰ কাৰ্যালয়ৰ পৰা দিয়া পৰিচয় পত্ৰ

১১) ভাৰতৰ এম / ও সামাজিক ন্যায় আৰু সৱলীকৰণৰ জৰিয়তে দিয়া ইউনিক পৰিচয় আই ডি (ইউ ডি আই ডি)

প্ৰতিজন ভোটাৰে ৬খ প্ৰ-পত্ৰৰে ভোটাৰ তালিকাৰ সত্যাসত্য নিৰূপণ কৰাটো জৰুৰী।

আহক, আমি সকলোৱে মিলি ভোটাৰ পৰিচয় পত্ৰৰ সত্যাসত্য নিৰূপণৰ কৰো আৰু এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰোঁ।

স্বাক্ষৰ
জিলা নিৰ্বাচনী বিষয়া,
নলবাৰী

|| নলবাৰী জিলা নিৰ্বাচনী বিষয়াৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত ||